NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 06**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

oooooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডমপত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰি কয়, যে দেশৰ বিকাশ ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ অপাৰ সম্ভাৱনা আছে।

২। বিভিন্ন বিষয়ক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত ৰখা হয়।

৩। ভাৰতীয় সংবিধানৰ প্ৰণেতা ভাৰত ৰত্ন ড০ বি আৰ আম্বেদকাৰৰ ৬৮ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি মহাপৰিনিৰ্বান দিৱস পালন কৰা হৈছে।

৪। চৰকাৰে বিভিন্ন সংবাদ মঞ্চৰ জৰিয়তে ভুৱা বাতৰি প্ৰচাৰ ৰোধ কৰাৰ উদ্দেশ্যে বিধিসন্মত ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰগণে প্ৰকাশ কৰে।

*আৰু*

৫। অষ্ট্ৰেলিয়াই এডিলেইড টেষ্টৰ প্ৰথম দিনৰ খেলৰ সামৰণি পৰলৈকে প্ৰথম ইনিংছত এটা উইকেট হেৰুৱাই ৮৬ ৰাণ সংগ্ৰহ কৰিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডমপত অষ্টলক্ষ্মী মহোৎসৱ মুকলি কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে কয়, যে দেশৰ বিকাশ ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ অপাৰ সম্ভাৱনা আছে। একবিংশ শতিকা ভাৰতসহ পূব এছিয়াৰ দেশসমূহৰ বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে গুৱাহাটী, আগৰতলা, গেংটক, আইজল, শ্বিলং, ইটানগৰ আৰু ক'হিমাৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ ভালেমান চহৰৰ মহানগৰসমূহৰ দৰে বৃহৎ সম্ভাৱনা আছে। অষ্টলক্ষ্মী মহোৎসৱৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে প্ৰথম আৰু অনন্য মহোৎসৱে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত বিনিয়োগৰ অপাৰ সুযোগ মুকলি কৰিব। তেওঁ লগতে এয়া উত্তৰ পূৰ্বাঞ্চলৰ খেতিয়ক, কাৰুশিল্পী, কলা-কুশলীৰ লগতে সমগ্ৰ বিশ্বৰ বিনিয়োগকাৰীসকলৰ বাবে বৃহৎ সম্ভাৱনা বুলি অভিহিত কৰে। চৰকাৰে উত্তৰ পূৰ্বাঞ্চলক আবেগ, অৰ্থব্যৱস্থা আৰু পৰিস্থিতিতন্ত্ৰৰ সৈতে সংযুক্ত কৰাৰ বাবে কাম কৰি আছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে অষ্টলক্ষ্মী উত্তৰ পূৰ্বাঞ্চলৰ উজ্জ্বল ভৱিষ্যতৰ উৎসৱ আৰু বিকাশৰ নতুন পুৱাৰ পৰ্ব। এই উৎসৱে বিকশিত ভাৰত অভিযানক আগুৱাই লৈ যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে উত্তৰ পূৰ্বাঞ্চলৰ শিশুসকলে প্ৰধানমন্ত্ৰীক আঁহত গছৰ পুলি প্ৰদান কৰে। তিনি-দিনীয়া এই অষ্টলক্ষ্মী মহোৎসৱত উত্তৰ পূৰ্বাঞ্চলৰ চহকী ঐতিহ্য প্ৰদৰ্শন কৰা হ'ব।

oooooooo

বিভিন্ন বিষয়ক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত ৰখা হয়। নগদ ধনৰ বিবাদক লৈ শাসকীয় পক্ষৰ সদস্যসকলে সৃষ্টি কৰা উত্তাল পৰিবেশৰ বাবে ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা স্থগিত ৰাখিবলগীয়া হয়। ইপিনে, বিজেপি সাংসদ নিশিকান্ত ডুবে, বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী আৰু অন্য কংগ্ৰেছ নেতাসকলৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগৰ বিৰুদ্ধে বিৰোধী পক্ষৰ সদস্যসকলে কৰা প্ৰতিবাদৰ বাবে লোকসভাৰ কাম-কাজ স্থগিত ৰাখিবলগীয়া হয়।

মধ্যাহ্ন ভোজন বিৰতিৰ পাছত ৰাজ্যসভা মিলিত হোৱাৰ সময়ত শাসকীয় পক্ষৰ সদস্যসকলে কংগ্ৰেছ সাংসদ অভিষেক মনো সিংভিৰ আসনৰ পৰা টকাৰ গাঁঠ উদ্ধাৰ হোৱা বিষয় লৈ বিৰোধী পক্ষৰ বিৰুদ্ধে ধ্বনি দিবলৈ ধৰে। এনে অচলাৱস্থাৰ মাজতে উচ্চ সদনৰ সভাপতি হৰিবংশই সদস্যসকলক সদনৰ নিৰ্ধাৰিত কাম-চলাই যাবলৈ অনুৰোধ জনায় যদিও তেওঁৰ অনুৰোধ অথলে যায়। উপ-সভাপতিয়ে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ইয়াৰ পূৰ্বে পুৱাৰ ভাগত উচ্চ সদন মিলিত হোৱাৰ সময়ত সভাপতি জগদীপ ধনখড়ে সদনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰখাৰ সময়ত নিয়মীয়া পৰীক্ষাৰ সময়ত ৰাজ্যসভাত সিংভিৰ বাবে আবণ্টিত আসনৰ পৰা টকাৰ গাঁঠ উদ্ধাৰ হোৱা বুলি জানিবলৈ দিয়ে। সভাপতিগৰাকীয়ে কয় যে ঘটনাৰ বিষয়ে তেওঁক অৱগত কৰোৱা হৈছে আৰু ইয়াৰ তদন্ত চলি আছে।

ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই কয়, যে তেওঁৰ দল তদন্তৰ পৰিপন্থী নহয়। অৱশ্যে তেওঁ তদন্ত চলি থকাৰ বাবে সভাপতিয়ে সাংসদ গৰাকীৰ নাম সদৰি কৰিব নালাগিছিল বুলি মন্তব্য কৰে। তদন্তৰ পাছতহে সিদ্ধান্তত উপনীত হ'ব পৰা যাব বুলি তেওঁ প্ৰকাশ কৰে। ইয়াৰ প্ৰত্যুত্তৰত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে তেওঁ সভাপতিৰ মন্তব্যৰ সৈতে একমত যে এই ঘটনাৰ গুৰুতৰ তদন্ত হ'ব লাগে আৰু সদস্যসকলে প্ৰকাশ কৰা চিন্তাও বাস্তৱিক। কোনোৱে ইয়াৰ বিৰুদ্ধে যোৱা উচিত নহয় বুলি তেওঁ মন্তব্য কৰে।

উচ্চ সদনৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাইও একে ধৰণৰ মন্তব্য প্ৰকাশ কৰি কয় যে এয়া সঁচাকৈ নজিৰবিহীন ঘটনা আৰু সকলোৱে ইয়াক গৰিহণা দিয়া উচিত। এনে ধৰণৰ ঘটনাই উচ্চ সদনৰ গৰিমা লাঘৱ কৰে বুলিও তেওঁ মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলেও বিষয়টো লৈ বিৰোধী পক্ষক তীব্ৰ সমালোচনা কৰে।

প্ৰথম বাৰৰ বাবে কাৰ্যক্ৰমণিক স্থগিত ৰখাৰ পাছত দিনৰ ১২ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত শ্ৰী ডুবেই আমেৰিকা যুক্তৰাষ্ট্ৰস্থিত এগৰাকী বিনিয়োগকাৰী, বিদেশী সংবাদ মঞ্চ আৰু কংগ্ৰেছে ভাৰতৰ সাফল্য গাঁথা বিঘ্নিত কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ পুনৰ উত্থাপন কৰে। কংগ্ৰেছৰ নেতৃত্বত বিৰোধী পক্ষৰ সদস্যসকলে ৰাহুল গান্ধী আৰু অন্য কংগ্ৰেছ নেতাসকলৰ বিৰুদ্ধে শ্ৰীডুবেই অনা অভিযোগৰ বিষয় লৈ সদন উত্তাল কৰি তোলে। এনে পৰিস্থিতিত সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছকে ধৰি বিৰোধী পক্ষৰ সদস্যসকলে এটা আগশাৰীৰ ব্যৱসায় গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগ আৰু অন্য বিষয় লৈ হুলস্থলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। অধ্যক্ষ ওম বিৰলাই সদস্যসকলক প্ৰশ্ন কালৰ কাম-কাজ চলাই নিয়াত সহযোগিতা কৰিবলৈ অনুৰোধ জনায় যদিও তেওঁলোকে প্ৰতিবাদ অব্যাহত ৰাখে। এনে পৰিস্থিতিত অধ্যক্ষ সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখিবলৈ বাধ্য হয়।

০০০০০০০০

ভাৰতীয় সংবিধানৰ প্ৰণেতা ভাৰত ৰত্ন ড০ বি আৰ আম্বেদকাৰৰ ৬৮ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি মহাপৰিনিৰ্বান দিৱস পালন কৰা হৈছে। মহাপৰিনিৰ্বান দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত বাবা চাহেব আম্বেদকাৰৰ অৱদানৰ বিষয়ে আলোকপাত কৰাৰ উদ্দেশ্যে দেশজুৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু কেইবাগৰাকী সাংসদ তথা অন্যান্য বিষয়ববীয়াই ভাৰতীয় সংবিধানৰ ৰূপকাৰ আম্বেদকাৰৰ স্মৃতিত নতুন দিল্লীত সংসদ ভৱনৰ প্ৰেৰণা স্থলত শ্ৰদ্ধা জ্ঞাপন কৰে। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণন, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ, উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দে আৰু অজিত পাৱাৰে মহাপৰিনিৰ্বাণ দিৱস উপলক্ষে দাদৰৰ চৈত্যভূমিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ দি ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনে কয়, যে ড০ আম্বেদকাৰে দেশক শ্ৰেষ্ঠ সংবিধান দিয়াৰ লগতে ঐক্য, সমতা, ভাতৃত্ববোধ, অস্পৃশ্যতা নিৰ্মূল আদিৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াইছিল। ড০ আম্বেদকাৰে দেশক দিয়া সংবিধানখনৰ বাবেই দেশে বিভিন্ন দিশৰ উন্নয়নত নতুন উচ্চতা লাভ কৰিছে বুলি মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে উল্লেখ কৰে।

০০০০০০০০

চৰকাৰ গণতন্ত্ৰক দুৰ্বল কৰি তুলিব পৰা আৰু সমাজৰ বিভাজন সৃষ্টি কৰিব পৰা ভুৱা বাতৰি আৰু বিভ্ৰান্তিকৰ তথ্যৰ প্ৰসাৰ ৰোধ কৰাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বদ্ধপৰিকৰ। তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগনে আজি ৰাজ্যসভাত এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰে বিভিন্ন সংবাদ মঞ্চৰ জৰিয়তে ভুৱা বাতৰি প্ৰচাৰ ৰোধ কৰাৰ উদ্দেশ্যে বিধিসন্মত ব্যৱস্থা গ্ৰহণ কৰিছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে কেন্দ্ৰীয় চৰকাৰৰ সৈতে জড়িত ভুৱা বাতৰিৰ সন্মুখীন হোৱাৰ বাবে ২০১৯ চনৰ নৱেম্বৰত প্ৰেছ ইনফৰমেশ্যন ব্যুৰোৰ অধীনত এটা তথ্য পৰীক্ষণ গোট গঠন কৰিছে বুলি ড০ মুৰুগনে প্ৰকাশ কৰে।

০০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে সময়ে সময়ে যথোচিত নিৰ্দেশনা জাৰি কৰি সম্প্ৰচাৰ ক্ষেত্ৰত নিত্য-নতুন প্ৰযুক্তি আকোঁৱালি লোৱাৰ বাবে সহায় সমৰ্থন আগবঢ়াই আহিছে। ৰাজ্যসভাত আজি এটা লিখিত উত্তৰযোগে এই কথা প্ৰকাশ কৰি তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰগনে কয় যে প্ৰসাৰ ভাৰতীয়ে নেটৱৰ্কৰ ডিজিটেলকৰণ আৰু শেহতীয়া আহিলাপাতি ব্যৱহাৰ কৰি অবিৰতভাৱে আকাশবাণী আৰু দূৰদৰ্শনৰ নেটৱৰ্ক উন্নত কৰি আহিছে। প্ৰসাৰ ভাৰতীয়ে **ডাইৰেক্ট টু মোবাইল ডি-টু-এম** সম্প্ৰচাৰ প্ৰযুক্তিৰ বাবে ভাৰতীয় তথ্য প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান কানপুৰৰ সৈতে এখন বুজাবুজিৰ চুক্তি সম্পাদন কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। **ডি-টু-এম** এক প্ৰকাৰৰ নতুন প্ৰযুক্তি আৰু এই প্ৰযুক্তিৰ জৰিয়তে ছিম অবিহনে মোবাইল ফোন আৰু অন্য স্মাৰ্ট আহিলালৈ দৃশ্য-শ্ৰাব্য আৰু তথ্যৰ সম্প্ৰচাৰ সংকেত পোনপটীয়াকৈ প্ৰেৰণ কৰিব পৰা যায়।

০০০০০০০০

অষ্ট্ৰেলিয়াই আজি এডিলেইডত অনুষ্ঠিত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলৰ প্ৰথন দিনৰ খেলৰ সামৰণি পৰলৈকে প্ৰথম ইনিংছত এটা উইকেট হেৰুৱাই ৮৬ ৰাণ সংগ্ৰহ কৰে। দিনান্তত নাথন মেকছুইনিয়ে ৩৮ আৰু মৰ্নাছ লাবুছেনে ২০ ৰাণ কৰি আউট নোহোৱাকৈ আছিল। অষ্ট্ৰেলিয়া ভাৰতৰ ইনিংছত এতিয়াও ৯৪ ৰাণত পিছ পৰি আছে। ইয়াৰ পূৰ্বে ভাৰতে

টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১৮০ ৰাণৰ প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ নীতিশ কুমাৰ ৰেড্ডীয়ে সৰ্বাধিক ৪২ ৰাণ কৰে। ভাৰত বৰ্তমান শৃংখলাত ১-০ৰ ফলাফলত আগবাঢ়ি আছে।

00000000

সমাপ্ত